BURHA LUIT

বুঢ়া লুইত

বুঢ়া লুইত 2.0

# ব্যৱহাৰকাৰীৰ সহায়িকা

মঞ্চৰ বাবে প্ৰদৰ্শন নিয়ন্ত্ৰণ: ধ্বনি, ছবি, ভিডিঅ’ আৰু উপশিৰোনাম, একেখন কিউ তালিকাৰ পৰা

সংস্কৰণ 2.0 · 2026

মোৰ দেউতা **স্বৰ্গীয় থানেশ্বৰ গোস্বামী** আৰু খুড়া **স্বৰ্গীয় অৰ্পণ বেজবৰুৱা**ৰ মৰমৰ স্মৃতিত

পৰিকল্পনা, নক্সা আৰু নিৰ্মাণ: **ড° মৃণাল জ্যোতি গোস্বামী**
AANK_A Creative Line

© 2026 ড° মৃণাল জ্যোতি গোস্বামী আৰু AANK_A Creative Line। সৰ্বস্বত্ব সংৰক্ষিত।

# সূচী


| | | |
|---|---|---|
| 01 | পৰিচয় | 2 |
| 02 | বুঢ়া লুইত খোলা | 3 |
| 03 | মূল ৱিণ্ড’ | 4 |
| 04 | প্ৰদৰ্শনৰ পৰিচালনা | 6 |
| 05 | কিউ তালিকা গঢ়া | 8 |
| 06 | কিউ সম্পাদক | 10 |
| 07 | ধ্বনি সম্পাদনা | 15 |
| 08 | উপশিৰোনাম | 16 |
| 09 | পৰ্দা আৰু প্ৰজেক্টৰ | 18 |
| 10 | প্ৰদৰ্শন চলোৱা | 21 |
| 11 | প্ৰযোজনা | 24 |
| 12 | কিউ তালিকা ছপা | 28 |
| 13 | মিডিয়া ফাইল | 29 |
| 14 | ছেটিংছ | 30 |
| 15 | সাঁচি ৰখা, বেকআপ আৰু প্ৰদৰ্শন আন ঠাইলৈ নিয়া | 32 |
| 16 | কীব’ৰ্ডৰ কী | 33 |
| 17 | সহায় আৰু বুঢ়া লুইতৰ বিষয়ে | 34 |

01

অধ্যায় 1

# পৰিচয়

বুঢ়া লুইত মঞ্চৰ বাবে প্ৰদৰ্শন নিয়ন্ত্ৰণৰ ছফ্টৱেৰ। একেখন কিউ তালিকাৰ পৰা ই সংগীত আৰু ধ্বনি প্ৰভাৱ বজায়, এখনৰ পৰা তিনিখনলৈকে প্ৰজেক্টৰত ভিডিঅ' আৰু ছবি দেখুৱায়, আৰু পৰ্দাত উপশিৰোনাম দিয়ে। প্ৰতিবাৰ **GO** টিপিলে পৰৱৰ্তী কিউটো চলে। Mac, Windows আৰু Linuxৰ ৱেব ব্ৰাউজাৰত ই চলে, আৰু ইণ্টাৰনেট নোহোৱাকৈও কাম কৰে।

## পাঁচটা মূল কথা

### প্ৰদৰ্শন

এটা প্ৰযোজনা: ইয়াৰ কিউ তালিকা, ছেটিংছ আৰু প্ৰযোজনাৰ বিৱৰণ। যিমান ইচ্ছা সিমান প্ৰদৰ্শন ৰাখিব পাৰি।

### কিউ

পৰিৱেশনৰ এটা খোজ। এটা কিউৱে একেটা GOতে ধ্বনি বজাব পাৰে, ভিডিঅ' বা ছবি দেখুৱাব পাৰে আৰু উপশিৰোনাম সলনি কৰিব পাৰে।

### দৃশ্য আৰু অংক

কিউ তালিকাক ভাগ কৰা শিৰোনাম। GO টিপিলে এইবোৰ বাদ পৰে, সেয়ে প্ৰদৰ্শনত বাধা নজন্মায়।

### ষ্টেণ্ডবাই

পৰৱৰ্তী GOত যিটো কিউ চলিব। তালিকাত ই ৰঙা ৰঙেৰে চিহ্নিত থাকে আৰু GO বুটামৰ কাষত দেখা যায়।

### সম্পাদনা আৰু চলোৱা

**সম্পাদনা** অৱস্থাত প্ৰদৰ্শন গঢ়ি তোলা হয়। **চলোৱা** অৱস্থাত সম্পাদনা বন্ধ থাকে, যাতে পৰিৱেশনৰ সময়ত ভুলতে একো সলনি নহয়।

**পৰামৰ্শ।** সোনকালে শিকাৰ আটাইতকৈ সহজ উপায় হ'ল এপৰ ভিতৰৰ নমুনা প্ৰদৰ্শন। **ফাইল › নমুনা প্ৰদৰ্শন খোলক** বাছক, **চলোৱা**লৈ যাওক আৰু কেইবাৰমান GO টিপি চাওক।

02

অধ্যায় 2

# বুঢ়া লুইত খোলা

ইনষ্টলেচন নিৰ্দেশিকাত দিয়া ধৰণে বুঢ়া লুইত খোলক: aank.org/apps/burha-luit/ ঠিকনাৰ পৰা, ইনষ্টল কৰাৰ পাছত ইয়াৰ আইকনৰ পৰা, বা BURHA-LUIT-2.0.html ফাইলটোৰ পৰা। উৎসৰ্গ আৰু স্বীকৃতিসহ স্বাগতম পৃষ্ঠাখন ওলাব।




**চিত্ৰ 2.1** স্বাগতম পৃষ্ঠা

- **English / অসমীয়া** (ওপৰৰ সোঁফালে): গোটেই এপৰ ভাষা বাছক। পাছত ওপৰৰ বাৰৰ পৰা বা **ছেটিংছ › পৰিচালনা**ৰ পৰাও ভাষা সলনি কৰিব পাৰি।
- **প্ৰৱেশ কৰক**: স্বাগতম পৃষ্ঠাখন বন্ধ হয়, আৰু শেষবাৰ কাম কৰা প্ৰদৰ্শনটো খোলা অৱস্থাতে পাব।
- **নমুনা প্ৰযোজনা খোলক**: দৃশ্য, ধ্বনি, ছবি আৰু অসমীয়া-ইংৰাজী উপশিৰোনামসহ চুটি নমুনা নাটকখন খোলে।
- **পুনৰ নেদেখুৱাব**: এই বাকচটোত টিক চিন দিলে পৰৱৰ্তী বাৰৰ পৰা বুঢ়া লুইত খুলিলেই পোনে পোনে আপোনাৰ প্ৰদৰ্শন ওলাব। স্বাগতম পৃষ্ঠা আকৌ চাবলৈ **পৰিচয়**ত **স্বাগতম পৃষ্ঠা চাওক** টিপক (অধ্যায় 17)।
- খালী প্ৰদৰ্শন আৰম্ভ কৰিবলৈ **ফাইল › নতুন প্ৰদৰ্শন** বাছক। আপোনাৰ আন প্ৰদৰ্শনবোৰ **মোৰ প্ৰদৰ্শন**ত সাঁচি থাকিব।
- ৱেব এপটো ইনষ্টল কৰিবলৈ আৰম্ভণি পৃষ্ঠাৰ **এই ডিভাইচত ইনষ্টল কৰক** বাছক, বা ব্ৰাউজাৰে সুবিধা দিলে **ফাইল › এই ডিভাইচত বুঢ়া লুইত ইনষ্টল কৰক** বাছক। তাৰ পাছত বুঢ়া লুইত আন এপৰ দৰেই খোলে আৰু ইণ্টাৰনেট নোহোৱাকৈও চলে।

> **পৰামৰ্শ।** স্বাগতম পৃষ্ঠাত Enter বা Space টিপিলে পোনে পোনে ভিতৰলৈ যাব পাৰি। এবাৰ ক্লিক নকৰালৈকে বা কোনো কী নিটিপালৈকে ব্ৰাউজাৰে ধ্বনি নবজায়; সেয়ে এইদৰে সোমালে প্ৰথম GOতেই ধ্বনি শুনা যাব।

# 03

অধ্যায় 3

# মূল ৱিণ্ড’

প্ৰদৰ্শনৰ সময়ত লগা সকলোখিনি একেখন পৰ্দাতে থাকে। ছবিখনৰ নম্বৰবোৰ তলৰ তালিকাৰ লগত মিলে।




**চিত্ৰ 3.1** সম্পাদনা অৱস্থাত মূল ৱিণ্ড’

**1 মোৰ প্ৰদৰ্শন**
নতুন প্ৰদৰ্শন আৰম্ভ কৰক বা আন এটা খোলক।

**2 প্ৰযোজনা**
নাটৰ বিৱৰণ, অভিনয় শিল্পী, নেপথ্যৰ দল, আখৰা, প্ৰদৰ্শনৰ প্ৰতিবেদন আৰু টোকা।

**3 প্ৰদৰ্শনৰ নাম**
নাম সলনি কৰিবলৈ ক্লিক কৰক।

**4 পৰ্দা**
পৰ্দা আৰু প্ৰজেক্টৰৰ ৱিণ্ড’ খোলে। খোলা প্ৰতিখন পৰ্দাৰ বাবে এটা নম্বৰ জিলিকি উঠে।

**5 আউটপুট মিটাৰ**
বাহিৰলৈ যোৱা ধ্বনিৰ মাত্ৰা।

**6 ঘড়ী**
এইবাৰ চলোৱাৰ সময়। চলোৱা শেষ কৰিবলৈ ইয়াত ক্লিক কৰক।

**7 সম্পাদনা / চলোৱা**
প্ৰদৰ্শন গঢ়া আৰু পৰিৱেশন কৰাৰ মাজত সলনি কৰক।

**8 ফাইল**
নতুন, খোলা, সাঁচা, সংৰক্ষণ আৰু ছপা।

**9 মিডিয়া, ছেটিংছ, সহায়**
মিডিয়া ফাইল, ছেটিংছ আৰু সহায়ৰ পৃষ্ঠা।

**10 ভাষা**
ইংৰাজী আৰু অসমীয়াৰ মাজত সলনি কৰক।

**11 GO**
ষ্টেণ্ডবাই কিউটো চলায়। স্পেচ বাৰেও একে কাম কৰে।

**12 ষ্টেণ্ডবাই**
পৰৱৰ্তী কিউৰ নম্বৰ, নাম, GO কেতিয়া টিপিব, আৰু ই কি কৰিব।

**13** **সুৰক্ষাৰ বুটাম**
পিছলৈ, উপশিৰোনাম লুকুৱাওক, ধ্বনি ফেড আউট আৰু ক'লা পৰ্দা।

**14** **তালিকাৰ সঁজুলি**
নতুন দৃশ্য, নতুন কিউ, ফাইল যোগ কৰক, উপশিৰোনাম আনক, পিছুৱাওক আৰু পুনৰ কৰক।

**15** **দৃশ্যলৈ যাওক**
ষ্টেণ্ডবাই পোনে পোনে যিকোনো দৃশ্যলৈ নিয়ক।

**16** **কিউ তালিকা**
অঙ্ক, দৃশ্য আৰু কিউ, সিহঁতৰ ধ্বনি, ছবি আৰু উপশিৰোনামসহ।

**17** **কিউ সম্পাদক**
বছা কিউ বা শিৰোনামৰ ছেটিংছ।

**18** **পৰ্দাৰ পূৰ্বদৰ্শন**
দৰ্শকে পৰ্দাত যি দেখিব।

**19** **এতিয়া চলি আছে**
চলি থকা সকলোবোৰ, প্ৰতিটোৰে নিজা নিয়ন্ত্ৰণসহ।

**20** **মূল**
সামগ্ৰিক ধ্বনিৰ মাত্ৰা, নিমাত আৰু বাওঁ-সোঁ মিটাৰ।

04

অধ্যায় 4

# প্ৰদৰ্শনৰ পৰিচালনা

বুঢ়া লুইতত সাঁচি ৰখা সকলো প্ৰদৰ্শন চাবলৈ ওপৰৰ বাৰৰ **মোৰ প্ৰদৰ্শন** টিপক।




**চিত্ৰ 4.1** মোৰ প্ৰদৰ্শন

1. নতুন প্ৰদৰ্শন আৰম্ভ কৰিবলৈ নাম লিখি **নতুন প্ৰদৰ্শন বনাওক** টিপক।
2. আন প্ৰদৰ্শনত কাম কৰিবলৈ তাৰ কাষৰ **খোলক** টিপক। এতিয়া ব্যৱহাৰ কৰি থকা প্ৰদৰ্শনটোত **এতিয়া খোলা** লিখা থাকে।
3. **প্ৰতিলিপি**য়ে এটা নকল বনায়; ভ্ৰাম্যমাণ সংস্কৰণ বা নতুন বছৰৰ বাবে কামত আহে।
4. **মচক** বুটামে প্ৰদৰ্শন আঁতৰায়। ইয়াক পিছুৱাব নোৱাৰি, সেয়ে পিছত লাগিব পাৰে বুলি ভাবিলে আগতে সংৰক্ষণ কৰি লওক।
5. **প্ৰদৰ্শন ফাইল খোলক** বিকল্পৰে ফাইল হিচাপে সাঁচি ৰখা প্ৰদৰ্শন (.luit বা .json) আনিব পাৰি।

প্ৰদৰ্শনবোৰ এই কম্পিউটাৰৰ এই ব্ৰাউজাৰত সাঁচি থাকে, আৰু মিডিয়া ফাইলবোৰ সকলো প্ৰদৰ্শনে একেলগে ব্যৱহাৰ কৰে। কাম কৰি থাকোঁতে বুঢ়া লুইতে নিজেই সাঁচি ৰাখে।

## ফাইল মেনু




**চিত্ৰ 4.2** ফাইল মেনু

| বিকল্প | কি কৰে |
|---|---|
| **নতুন প্ৰদৰ্শন** | খালী প্ৰদৰ্শন এটা আৰম্ভ কৰে। |
| **মোৰ প্ৰদৰ্শন...** | সাঁচি ৰখা প্ৰদৰ্শনৰ তালিকা খোলে। |
| **প্ৰদৰ্শন ফাইল খোলক...** | .luit বা .json ফাইল নতুন প্ৰদৰ্শন হিচাপে খোলে। |
| **নমুনা প্ৰদৰ্শন খোলক** | এপৰ ভিতৰৰ নমুনা নাটকখন খোলে। |
| **প্ৰদৰ্শন ফাইল সাঁচক** | কেৱল কিউ আৰু ছেটিংছ সাঁচে (.json), মিডিয়া নোহোৱাকৈ। |
| **মিডিয়াসহ গোটেইখিনি সংৰক্ষণ কৰক** | কিউ, ছেটিংছ, প্ৰযোজনাৰ বিৱৰণ আৰু সকলো মিডিয়াসহ এটা .luit ফাইল সাঁচে। |
| **কিউ তালিকা ছপা কৰক** | মঞ্চ ব্যৱস্থাপক আৰু অপাৰেটৰৰ বাবে ছপা কৰিব পৰা কিউ তালিকা। |
| **প্ৰযোজনা পত্ৰ ছপা কৰক** | বিৱৰণ, অভিনয় শিল্পী, নেপথ্যৰ দল, আখৰাৰ পৰিকল্পনা আৰু টোকা। |

05

অধ্যায় 5

# কিউ তালিকা গঢ়া

## দৃশ্যৰে আৰম্ভ কৰক

নতুন প্ৰদৰ্শন খালী অৱস্থাত খোল খায়, আৰম্ভ কৰাৰ বুটামবোৰৰ সৈতে।




**চিত্ৰ 5.1** নতুন খালী প্ৰদৰ্শন

1. **নতুন দৃশ্য** টিপক আৰু লগে লগে দৃশ্যৰ নাম লিখক, যেনে *দৃশ্য 1: ঘাট*।
2. সম্পাদকত সলনি কৰিবলৈ শিৰোনামটো বাছক: **শিৰোনামৰ প্ৰকাৰ** (দৃশ্য বা অঙ্ক), নাম, আৰু *মঞ্চ সলনি, 2 মিনিট*ৰ দৰে টোকা।
3. নাটত অঙ্ক থাকিলে কেইবাটাও দৃশ্যৰ ওপৰত **অঙ্ক** শিৰোনাম দিয়ক।




**চিত্ৰ 5.2** দৃশ্যৰ শিৰোনাম সম্পাদনা

## সংগীত, ভিডিঅ’ আৰু ছবি যোগ কৰক

- কম্পিউটাৰৰ পৰা ফাইল কিউ তালিকালৈ টানি আনক, বা **ফাইল যোগ কৰক** টিপক। প্ৰতিটো ফাইল একোটা কিউ হ’ব।
- দৃশ্যৰ শিৰোনামৰ ওপৰত ফাইল এৰিলে সেই দৃশ্যৰ শেষত যোগ হয়।
- কোনো কিউৰ ওপৰত ফাইল এৰিলে সেই কিউৰ ভিতৰত সোমায়।
- খালী ঠাইত এৰিলে তালিকাৰ শেষত নতুন কিউ যোগ হয়।

## কিউ তালিকা পঢ়া




**চিত্ৰ 5.3** অঙ্ক, দৃশ্য আৰু ৰঙীন কিউসহ কিউ তালিকা

- **কিউ**: কিউৰ নম্বৰ। কাষৰ ৰঙীন ৰেখাই কিউৰ ৰং দেখুৱায়।
- **নাম আৰু GO কেতিয়া**: কিউৰ নাম, আৰু সোণালী আখৰত GO টিপাৰ মুহূৰ্ত।
- **ধ্বনি, ভিডিঅ’ বা ছবি, উপশিৰোনাম**: প্ৰতিটো অংশত কিউটোৱে কি কৰে।
- **তাৰ পিছত**: *নিজে* মানে পৰৱৰ্তী কিউ নিজে চলিব।
- সৰু চিহ্নই আৰম্ভৰ আগৰ অপেক্ষা (ঘড়ী) বা হট-কী (আখৰ) দেখুৱায়। নিষ্ক্ৰিয় কিউৰ ওপৰেদি ৰেখা টনা থাকে।

## কিউ সজোৱা

- সম্পাদকৰ **ওপৰলৈ** আৰু **তললৈ**ৰে বছা কিউ বা শিৰোনাম আগুৱাই-পিছুৱাই নিয়ক।
- **প্ৰতিলিপি** (Ctrl+D বা Cmd+D)য়ে কিউৰ নকল বনায়। **মচক** (বা Delete কী)য়ে আঁতৰায়।
- **পিছুৱাওক** আৰু **পুনৰ কৰক** (Ctrl+Z, Ctrl+Shift+Z; Macত Cmd)ৰে সলনিবোৰৰ মাজত আগ-পিছ কৰক।

> **পৰামৰ্শ।** যিকোনো কিউত দুবাৰ ক্লিক কৰিলে সেইটো স্থৈওবাই হয়।

# 06

অধ্যায় 6

# কিউ সম্পাদক

কিউ এটা বাছিলে তালিকাৰ তলত চাৰিটা স্তম্ভত ইয়াৰ ছেটিংছ ওলায়: কিউ নিজে, ধ্বনি, ভিডিঅ’ বা ছবি, আৰু উপশিৰোনাম।




**চিত্ৰ 6.1** সকলো বিকল্প খোলা অৱস্থাত কিউ সম্পাদক

## কিউৰ ছেটিংছ




**চিত্ৰ 6.2** কিউৰ ছেটিংছ

| ছেটিং | ব্যৱহাৰ |
|---|---|
| **কিউ নম্বৰ** | স্বয়ংক্ৰিয় হৈ থাকিবলৈ দিয়ক, বা 12, 12.5ৰ দৰে নিজৰ নম্বৰ লিখক। |
| **হট-কী** | আখৰ বা সংখ্যাৰ এটা কী, যিটো টিপিলে যিকোনো সময়তে এই কিউ চলে। B, F আৰু P বুঢ়া লুইতৰ নিজৰ কামৰ বাবে ৰখা আছে। |
| **নাম** | কিউৰ চুটি নাম। |
| **GO কেতিয়া টিপিব** | GO টিপাৰ সংলাপ বা মুহূৰ্ত। GO বুটামৰ ওপৰত সোণালী আখৰত দেখা যায়। |
| **ৰং** | প্ৰকাৰ অনুসৰি কিউ চিহ্নিত কৰে, যেনে প্ৰাক্-প্ৰদৰ্শনৰ বাবে নীলা বা শেষৰ বাবে ৰঙা। |
| **আৰম্ভৰ আগত অপেক্ষা** | GO টিপাৰ ইমান ছেকেণ্ড পিছত কিউ আৰম্ভ হয়। |
| **এই কিউৰ পিছত** | **GOৰ বাবে ৰৈ থাকক**, বা দিয়া ছেকেণ্ডৰ পিছত **পৰৱৰ্তী কিউ নিজে চলক**। |
| **সক্ৰিয়** | টিক আঁতৰালে GO টিপিলে এই কিউ বাদ পৰে। ইয়াৰ হট-কীয়ে তথাপি ইয়াক চলায়। |
| **এই কিউ চলাওক** | ষ্টেণ্ডবাই নসলোৱাকৈ কিউটো এতিয়াই চলায়। আখৰাত কামত আহে। |
| **ষ্টেণ্ডবাইত দিয়ক** | এই কিউটোক ষ্টেণ্ডবাই কৰে। |




**চিত্ৰ 6.3** হট-কী T থকা নিষ্ক্ৰিয় কিউ

**পৰামৰ্শ।** বজ্ৰপাতৰ দৰে যিকোনো মুহূৰ্তত লাগিব পৰা ধ্বনি প্ৰভাৱৰ বাবে কিউটো নিষ্ক্ৰিয় কৰি এটা হট-কী দিয়ক। GOৱে ইয়াক এৰি যাব, কীটো টিপিলে বাজিব।

## ধ্বনি




**চিত্ৰ 6.4** ধ্বনিৰ ছেটিংছ

| ছেটিং | ব্যৱহাৰ |
|---|---|
| **ধ্বনিৰ কাম** | একো নাই (বাজি থাকক), ধ্বনি বজাওক, এটা ধ্বনি ফেড আউট কৰক, সকলো ধ্বনি ফেড আউট, বা সকলো ধ্বনি বন্ধ। |
| **ফাইল** | যিটো সংগীত বা ধ্বনি প্ৰভাৱ বাজিব। **ধ্বনি সম্পাদনা**ই ধ্বনি সম্পাদক খোলে। |
| **মাত্ৰা** | এই কিউৰ ধ্বনিৰ জোৰ, ডেচিবেলত (dB)। |
| **ফেড ইন / শেষত ফেড আউট** | আৰম্ভণিত লাহে লাহে বাঢ়িবলৈ আৰু শেষত লাহে লাহে কমিবলৈ লগা ছেকেণ্ড। |
| **লুপ** | পিছৰ কোনো কিউৱে ফেড আউট নকৰালৈকে বাৰে বাৰে বাজি থাকে। |
| **আগৰে পৰা বাজি থকা আন ধ্বনি** | বাজি থাকক, বা দিয়া ছেকেণ্ড ধৰি ফেড আউট কৰক। |
| **অধিক** | আৰম্ভণি আৰু শেষ বিন্দু, আগতে বন্ধ কৰিলে ফেডৰ সময়, বাওঁ-সোঁ ভাৰসাম্য, আৰু বেছ, মিড আৰু ট্ৰেবল। |

## ভিডিঅ’ বা ছবি




**চিত্ৰ 6.5** ভিডিঅ’ বা ছবিৰ ছেটিংছ

| ছেটিং | ব্যৱহাৰ |
| --- | --- |
| **পৰ্দাৰ কাম** | একো নাই (দেখুৱাই থাকক), ভিডিঅ’ বা ছবি দেখুৱাওক, বা লাহে লাহে ক’লা পৰ্দা। |
| **ফেড ইন** | পৰ্দাত থকা ছবিৰ ওপৰত নতুন ছবি লাহে লাহে ওলাই আহিবলৈ লগা ছেকেণ্ড। |
| **খাপ খুওৱা** | গোটেই ছবি, ভৰাই দাঁতি কাটক, বা টানি মেলক। |
| **ভিডিঅ’ শেষ হ’লে** | শেষ ফ্ৰেমটো ৰাখক, লাহে লাহে ক’লা পৰ্দা, বা লুপ। |
| **ভিডিঅ’ৰ ধ্বনি** | ভিডিঅ’ৰ ভিতৰৰ ধ্বনিৰ মাত্ৰা, বা ধ্বনি নালাগে। |
| **অধিক** | আকাৰ, বাওঁ-সোঁ স্থান, ওপৰ-তল স্থান আৰু অস্বচ্ছতা। ভিডিঅ’ৰ বাবে আৰম্ভণি বিন্দুও আছে। |
| **পৰ্দা** | দুখন বা তিনিখন পৰ্দা থাকিলে কোনখন পৰ্দাত এই ছবি দেখুৱাব টিক দিয়ক। |

## উপশিৰোনাম




**চিত্ৰ 6.6** উপশিৰোনামৰ ছেটিংছ

- **কোনো সলনি নাই**: পৰ্দাৰ উপশিৰোনাম যেনে আছে তেনেকৈ থাকে।
- **উপশিৰোনাম দেখুৱাওক**: **মূল শাৰী** লিখক, আৰু বিচাৰিলে তলত **দ্বিতীয় ভাষা**ৰ শাৰী দিয়ক।
- **উপশিৰোনাম আঁতৰাওক**: পৰ্দাৰ পৰা উপশিৰোনাম আঁতৰায়।

07

অধ্যায় 7

# ধ্বনি সম্পাদনা

বুঢ়া লুইতৰ নিজা ধ্বনি সম্পাদক আছে। ধ্বনিৰ কিউ এটা বাছি **ধ্বনি সম্পাদনা** টিপক।




**চিত্ৰ 7.1** ধ্বনি সম্পাদক

1. আৰম্ভণি বিন্দু ঠিক কৰিবলৈ **সেউজীয়া** ৰেখা আৰু শেষ বিন্দু ঠিক কৰিবলৈ **ৰঙা** ৰেখা টানি নিয়ক।
2. ফেড ইন আৰু ফেড আউট ঠিক কৰিবলৈ ওপৰৰ **হালধীয়া** হেণ্ডেল টানক।
3. বাজি থকা স্থান ঠিক কৰিবলৈ ৱেভফৰ্মত ক্লিক কৰক। শুনিবলৈ **বজাওক**, **আৰম্ভণি বিন্দুৰ পৰা বজাওক** আৰু **বন্ধ কৰক** ব্যৱহাৰ কৰক।
4. সূক্ষ্ম কামৰ বাবে **জুম** আৰু স্ক্ৰ'ল বাৰ ব্যৱহাৰ কৰক। সময় ছেকেণ্ডত লিখিও দিব পাৰি।
5. **মাত্ৰা**, **বাওঁ / সোঁ**, **বেছ**, **মিড** আৰু **ট্ৰেবল** ঠিক কৰক, আৰু লাগিলে **আৰম্ভণি আৰু শেষৰ মাজত লুপ**ত টিক দিয়ক।
6. **কিউত প্ৰয়োগ কৰক** টিপক।

আপোনাৰ মূল ফাইল কেতিয়াও সলনি নহয়। সম্পাদনাখিনি কিউত সাঁচি থাকে। **নতুন ধ্বনি ফাইল হিচাপে সাঁচক** বুটামে সম্পাদিত বেলেগ প্ৰতিলিপি (WAV) বনায় আৰু কিউটোক তালৈ সলনি কৰে।

# 08

অধ্যায় 8

# উপশিৰোনাম

## নাটৰ পাঠ আনা

এটা খোজতে নাটৰ পাঠক উপশিৰোনাম কিউলৈ সলনি কৰিবলৈ **উপশিৰোনাম আনক** টিপক।




**চিত্ৰ 8.1** দুটা ভাষাত উপশিৰোনাম অনা

1. বাওঁফালে মূল ভাষাৰ পাঠ পেষ্ট কৰক, বা **.txt লোড কৰক** টিপক।
2. দ্বিতীয় শাৰী বিচাৰিলে সোঁফালে দ্বিতীয় ভাষাৰ পাঠ শাৰী মিলাই পেষ্ট কৰক।
3. উপশিৰোনামবোৰ কেনেকৈ পৃথক কৰা আছে বাছক: প্ৰতি শাৰীত এটা, বা দুশাৰীৰ উপশিৰোনামৰ বাবে মাজত এটা খালী শাৰী।
4. নতুন কিউবোৰ ক'ত থ'ব বাছক: তালিকাৰ শেষত বা বছা কিউৰ পিছত।
5. **শেষত উপশিৰোনাম আঁতৰোৱা কিউ এটা দিয়ক**ত টিক ৰাখি যোগ কৰাৰ বুটামটো টিপক।

## উপশিৰোনামৰ ৰূপ

**ছেটিংছ › উপশিৰোনামৰ ৰূপ** খোলক। কাম কৰি থাকোঁতে ওপৰৰ পূৰ্বদৰ্শন সলনি হৈ থাকে।




**চিত্ৰ 8.2** উপশিৰোনামৰ ৰূপৰ ছেটিংছ

- **ফণ্ট**: কম্পিউটাৰৰ অসমীয়া ছাঁদ বা ছেৰিফ ফণ্ট, বা **মোৰ নিজৰ ফণ্ট ফাইল ব্যৱহাৰ কৰক** বুটামেৰে নিজৰ ফণ্ট।
- **মূল শাৰীৰ আকাৰ**, **দ্বিতীয় শাৰীৰ আকাৰ**, **মূল ৰং**, **দ্বিতীয় ৰং**, **আখৰৰ গাঢ়তা** আৰু **শাৰীৰ সজ্জা**।
- **স্থান** (তলত, ওপৰত বা মাজত) আৰু **দাঁতিৰ পৰা দূৰত্ব**।
- **পঢ়াৰ সুবিধা**: ক'লা দাঁতি, আখৰৰ পিছফালে ক'লা পটি, বা কেৱল আখৰ; লগতে **পটিৰ গাঢ়তা**।
- **পাঠৰ বহল**, **শাৰীৰ মাজৰ ব্যৱধান** আৰু **সলনিৰ গতি**।

> **পৰামৰ্শ।** প্ৰদৰ্শনৰ সময়ত উপশিৰোনাম লুকুৱাবলৈ বা দেখুৱাবলৈ **B** টিপক। লুকুৱাই ৰাখিলে ষ্টেওবাইৰ কাষত হালধীয়া *উপশিৰোনাম লুকুৱা আছে* চিহ্ন ওলায়।

09

অধ্যায় 9

# পৰ্দা আৰু প্ৰজেক্টৰ

বুঢ়া লুইতে এখন, দুখন বা তিনিখন পৰ্দালৈ ছবি আৰু উপশিৰোনাম পঠিয়াব পাৰে। প্ৰতিখন পৰ্দা একোখন ৱিণ্ড', যিখন প্ৰজেক্টৰত ৰাখি সম্পূৰ্ণ পৰ্দা কৰা হয়।




**চিত্ৰ 9.1** পৰ্দা আৰু প্ৰজেক্টৰ

1. প্ৰজেক্টৰ লগাওক আৰু কম্পিউটাৰৰ ডিছপ্লে **Extend** কৰক, Mirror নহয় (ইনষ্টলেচন সহায়িকা চাওক)।
2. **পৰ্দা** টিপক। **কেইখন পৰ্দা** বাছক: এখন পৰ্দাত ভিডিঅ' আৰু উপশিৰোনাম একেলগে থাকে।
3. **উপশিৰোনাম কোনখন পৰ্দাত** বাছক: এখন পৰ্দাত বা সকলো পৰ্দাত।
4. Chrome বা Edgeত **প্ৰজেক্টৰ বিচাৰক** টিপি প্ৰতিখন পৰ্দাৰ বাবে ডিছপ্লে বাছক।
5. প্ৰতিখন পৰ্দাৰ বাবে **খোলক** টিপক। লাগিলে ৱিণ্ড'খন নিজৰ প্ৰজেক্টৰলৈ নিয়ক।
6. সম্পূৰ্ণ পৰ্দাৰ বাবে পৰ্দাৰ ৱিণ্ড'ত এবাৰ ক্লিক কৰক বা **F** টিপক। তাৰ পিছত নিয়ন্ত্ৰণ ৱিণ্ড'লৈ উভতি আহি ক্লিক কৰক।




**চিত্ৰ 9.2** দুখন পৰ্দা

- **পৰীক্ষামূলক ছবি**য়ে প্ৰজেক্টৰৰ ফ'কাচ আৰু স্থান মিলাবলৈ এখন জালি দেখুৱায়।
- **আগলৈ আনক** বুটামে পৰ্দাৰ ৱিণ্ড' আগলৈ আনে। **বন্ধ কৰক** বুটামে বন্ধ কৰে।
- পৰ্দাৰ ৱিণ্ড' ভুলতে বন্ধ হ'লে আকৌ **খোলক** টিপক। এতিয়াৰ ছবি আৰু উপশিৰোনামসহ ই ঘূৰি আহে।




**চিত্ৰ 9.3** সম্পূৰ্ণ পৰ্দা কৰাৰ আগৰ পৰ্দাৰ ৱিণ্ড'




**চিত্ৰ 9.4** প্ৰদৰ্শনৰ সময়ত পৰ্দাৰ ৱিণ্ড’

10

অধ্যায় 10

# প্ৰদৰ্শন চলোৱা

1. ওপৰৰ বাৰত **চলোৱা**লৈ যাওক।
2. প্ৰথম কিউত দুবাৰ ক্লিক কৰক, বা **দৃশ্যলৈ যাওক** তালিকাত দৃশ্য বাছক।
3. **GO** বা স্পেচ বাৰ টিপক। কিউটো চলে আৰু ষ্টেণ্ডবাই পৰৱৰ্তী কিউলৈ যায়।
4. দৃশ্যৰ শিৰোনাম আৰু নিষ্ক্ৰিয় কিউ বাদ পৰে। গাঁথি দিয়া কিউ নিজে চলে।
5. অপেক্ষা থকা কিউ আৰম্ভ হোৱাৰ আগতে **এতিয়া চলি আছে**ৰ তলত গণনা দেখা যায়।




**চিত্ৰ 10.1** পৰিৱেশনৰ সময়ত চলোৱা অৱস্থা

## এতিয়া চলি আছে




**চিত্ৰ 10.2** এতিয়া চলি আছে আৰু মূল

- প্ৰতিটো বস্তুত কিউ নম্বৰ, নাম, অগ্ৰগতি আৰু বাকী সময় দেখা যায়।
- বুটামবোৰেৰে এটা বস্তু ৰখাওক, ফেড আউট কৰক বা বন্ধ কৰক।
- মাত্ৰা সলনি কৰিবলৈ ফেডাৰ আগুৱাই-পিছুৱাই দিয়ক। ফেডাৰত দুবাৰ ক্লিক কৰিলে কিউৰ মাত্ৰালৈ উভতি যায়।
- **সকলো ৰখাওক** বুটামে সকলো ৰখায় আৰু আকৌ চলায়; আখৰাত কামত আহে।
- **মূল** ফেডাৰে সকলোৰে মাত্ৰা একেলগে সলনি কৰে। **নিমাত কৰক** বুটামে সকলো ধ্বনি নিমাত কৰে।
- মিটাৰে বাওঁ আৰু সোঁৰ মাত্ৰা দেখুৱায়। ৰঙা পোহৰ মানে ধ্বনি অতি বেছি জোৰ।

## সুৰক্ষাৰ বুটাম

| বুটাম | কী | কি কৰে |
|---|---|---|
| **পিছলৈ** | PageUp বা ← | এটা কিউ পিছলৈ যায় আৰু আগৰ উপশিৰোনাম দেখুৱায়। ধ্বনি বাজি থাকে। |
| **উপশিৰোনাম লুকুৱাওক** | B | উপশিৰোনাম লুকুৱায় বা দেখুৱায়। |
| **ধ্বনি ফেড আউট** | Esc | সকলো ধ্বনি ফেড আউট কৰে। দুবাৰ টিপিলে লগে লগে বন্ধ হয়। |
| **ক'লা পৰ্দা** | Shift+B | সকলো পৰ্দা লাহে লাহে ক'লা কৰে। |
| | P | সকলো ৰখায় বা আকৌ চলায়। |

> **পৰামৰ্শ।** বেতাঁৰ প্ৰেজেণ্টেচন ক্লিকাৰো চলে: ইয়াৰ আগ আৰু পিছৰ বুটামে GO আৰু পিছলৈৰ কাম কৰে, আৰু ক'লা পৰ্দাৰ বুটামে উপশিৰোনাম লুকুৱায়।

## চলোৱা শেষ কৰা

ওপৰৰ বাৰৰ ঘড়ীয়ে প্ৰথম GOৰ পৰা প্ৰতিবাৰ চলোৱাৰ সময় গণনা কৰে। চলোৱা শেষ হ'লে ঘড়ীটোত ক্লিক কৰক: ই শূন্যলৈ উভতি যায়, চলোৱা কিউৰ চিহ্ন আঁতৰে, আৰু হিচাপটো **প্ৰযোজনা › প্ৰদৰ্শনৰ প্ৰতিবেদন**ত সাঁচি থাকে।

11

অধ্যায় 11

# প্ৰযোজনা

প্ৰযোজনাৰ সকলো কথা প্ৰদৰ্শনৰ লগতে ৰাখিবলৈ ওপৰৰ বাৰৰ **প্ৰযোজনা** টিপক।




**চিত্ৰ 11.1** প্ৰযোজনাৰ বিৱৰণ

| টেব | কি থাকে |
|---|---|
| **বিৱৰণ** | নাটৰ নাম, অসমীয়াত নাম, নাট্যকাৰ, অনুবাদ বা ৰূপান্তৰ, নিৰ্দেশক, নাট্যগোষ্ঠী বা দল, ভাষা, পৰিৱেশনৰ সময়, প্ৰথম মঞ্চায়ন, স্থান আৰু চমু কাহিনী। |
| **অভিনয়ত** | চৰিত্ৰ আৰু সেই চৰিত্ৰত অভিনয় কৰা শিল্পী, ফোন নম্বৰ আৰু টোকাসহ। |
| **নেপথ্যত** | মঞ্চৰ নেপথ্যৰ দল। তালিকাৰ পৰা দায়িত্ব বাছক বা নিজে লিখক। |
| **আখৰা** | প্ৰতিখন আখৰাৰ তাৰিখ, সময়, স্থান, দৃশ্য আৰু টোকা। |
| **প্ৰদৰ্শনৰ প্ৰতিবেদন** | প্ৰতিবাৰ চলোৱাৰ হিচাপ, দৃশ্য অনুসৰি সময়সহ। সম্পূৰ্ণ আখৰা, আখৰা, কাৰিকৰী আখৰা, সাজ-পোছাকসহ আখৰা বা পৰিৱেশন বুলি চিহ্নিত কৰক। |
| **টোকা** | প্ৰযোজনাৰ মুকলি টোকা। |




**চিত্ৰ 11.2** অভিনয়ত




**চিত্ৰ 11.3** নেপথ্যত




**চিত্ৰ 11.4** আখৰা




**চিত্ৰ 11.5** প্ৰদৰ্শনৰ প্ৰতিবেদন

মানুহ বা আখৰা যোগ কৰিবলৈ **শাৰী যোগ কৰক** টিপক। শাৰীৰ শেষৰ ক্ৰছ চিহ্নই শাৰীটো আঁতৰায়।

## প্ৰযোজনা পত্ৰ

**প্ৰযোজনা পত্ৰ ছপা কৰক** বুটামে সকলো বিৱৰণসহ পৰিষ্কাৰ ছপা পৃষ্ঠা এখন বনায়। ছপা কৰক, বা ছপাৰ ৱিণ্ড'ত *Save as PDF* বাছক।

## Evening at the ghat (ঘাটৰ সন্ধিয়া)

প্ৰযোজনা পত্ৰ | নিৰ্দেশনা: ড° মৃণাল জ্যোতি গোস্বামী | নাট্যকাৰ: নাট্যকাৰৰ নাম | ছপা: 10/10/2026 09:32 pm

### বিৱৰণ

| | |
|---|---|
| নাটৰ নাম | Evening at the ghat |
| অসমীয়াত নাম | ঘাটৰ সন্ধিয়া |
| নাট্যকাৰ | নাট্যকাৰৰ নাম |
| নিৰ্দেশক | ড° মৃণাল জ্যোতি গোস্বামী |
| নাট্যগোষ্ঠী বা দল | AANK_A Creative Line |
| ভাষা | অসমীয়া |
| পৰিৱেশনৰ সময় | 10 মিনিট |
| প্ৰথম মঞ্চায়ন | 2026-11-14 |
| স্থান | ৰবীন্দ্ৰ ভৱন, গুৱাহাটী |

### চমু কাহিনী

সন্ধিয়া এজন বুঢ়া মাছমৰীয়া আৰু তেওঁৰ নাতিনী ঘাটলৈ আহে। নদী একেই আছে, কিন্তু নাও নাই। বৰষুণ নামি অহাৰ আগে আগে দুয়ো ঘৰলৈ উভতে।

### দৃশ্য

1. Pre-show (Audience coming in)
2. **Act 1**
3. Scene 1: ঘাটৰ সন্ধিয়া (Evening at the ghat)
4. Scene 2: বৰষুণ (Rain)

### অভিনয়ত

| চৰিত্ৰ | অভিনয় শিল্পী | ফোন | টোকা |
|---|---|---|---|
| বুঢ়া মাছমৰীয়া | শিল্পী 1 | | |
| নাতিনী | শিল্পী 2 | | |

### নেপথ্যত

| দায়িত্ব | নাম | ফোন | টোকা |
|---|---|---|---|
| মঞ্চ ব্যৱস্থাপক | সদস্য 1 | | |
| ধ্বনি আৰু সংগীত | সদস্য 2 | | |
| উপশিৰোনাম | সদস্য 3 | | |
| আলোক পৰিকল্পনা | সদস্য 4 | | |

### আখৰা

| তাৰিখ | সময় | স্থান | দৃশ্য | টোকা |
|---|---|---|---|---|
| 2026-10-20 | 17:00 | আখৰা কক্ষ | 1–2 | সংলাপ আৰু চলাচল |
| 2026-10-27 | 17:00 | আখৰা কক্ষ | 1–2 | ধ্বনি আৰু উপশিৰোনামসহ |
| 2026-11-12 | 15:00 | ৰবীন্দ্ৰ ভৱন | সম্পূৰ্ণ | কাৰিকৰী আখৰা |

### প্ৰযোজনাৰ টোকা

বৰষুণৰ দৃশ্যত পোহৰ নীলা কৰিব লাগে।
শেষৰ কিউৰ পিছত পৰ্দা ক'লা।

বুঢ়া লুইত 2.0 | স্বৰ্গীয় থানেশ্বৰ গোস্বামী আৰু স্বৰ্গীয় অৰ্পণ বেজবৰুৱাৰ মৰমৰ স্মৃতিত।

© 2026 Dr Mrinal Jyoti Goswami and AANK_A Creative Line

**চিত্ৰ 11.6** প্ৰযোজনা পত্ৰ

12

অধ্যায় 12

# কিউ তালিকা ছপা

**ফাইল › কিউ তালিকা ছপা কৰক** বাছক। ইয়াত প্ৰতিটো অঙ্ক, দৃশ্য আৰু কিউ, GO কেতিয়া টিপিব, ধ্বনি, ছবি, উপশিৰোনাম আৰু তাৰ পিছত কি হ'ব, সকলো থাকে। ওপৰত প্ৰযোজনাৰ নাম, নিৰ্দেশক আৰু নাট্যকাৰৰ নাম ছপা হয়। নিষ্ক্ৰিয় কিউ ধূসৰ ৰঙত ছপা হয়।

**Evening at the ghat (ঘাটৰ সন্ধিয়া)**

কিউ তালিকা, 8টা কিউ | নিৰ্দেশনা: ড° মৃণাল জ্যোতি গোস্বামী | নাট্যকাৰ: নাট্যকাৰৰ নাম | ছপা: 10/10/2026 09:33 pm

| কিউ | নাম আৰু GO কেতিয়া | ধ্বনি | ভিডিঅ' বা ছবি | উপশিৰোনাম | তাৰ পিছত |
|---|---|---|---|---|---|
| **Pre-show** Audience coming in | | | | | |
| 1 | **Pre-show**<br>কেতিয়া: House opens | Sample river drone.wav<br>−4.0 dB, লুপ, ফেড ইন 3 ছে. | Sample title card.png<br>ফেড 2 ছে. | উপশিৰোনাম আঁতৰাওক | GO |
| 2 | **Welcome**<br>কেতিয়া: Audience seated | | | আজিৰ পৰিৱেশনলৈ আপোনালোকক আন্তৰিক আদৰণি জনাইছোঁ।<br>A warm welcome to tonight's performance. | GO |
| **Act 1** | | | | | |
| **Scene 1: ঘাটৰ সন্ধিয়া** Evening at the ghat | | | | | |
| 3 | **Dusk at the ghat**<br>কেতিয়া: House lights out | Sample bell.wav<br>আনবোৰ ফেড 4 ছে. | Sample river at dusk.png<br>ফেড 3 ছে. | নদীখন আজিও একেদৰে বৈ আছে।<br>The river still flows as it always has. | GO |
| 4 | কেতিয়া: Actor looks across the river | | | কিন্তু আজি ঘাটত এখনো নাও নাই।<br>But today there is not a single boat at the ghat. | GO |
| **Scene 2: বৰষুণ** Rain | | | | | |
| 5 | **Rain**<br>কেতিয়া: Thunder in the lights | Sample rain.wav<br>−6.0 dB, লুপ, ফেড ইন 4 ছে. | Sample rain at night.png<br>ফেড 4 ছে. | বৰষুণ আহিছে। ব'লা, ঘৰলৈ যাওঁ।<br>The rain is coming. Come, let us go home. | GO |
| 6 | কেতিয়া: Actors start to leave | | | কাইলৈ পুৱা আকৌ আহিম।<br>We will come again tomorrow morning. | 5 ছে. পিছত নিজে |
| 7 | **Ending** | সকলো ধ্বনি ফেড আউট<br>5 ছে. ধৰি | লাহে লাহে ক'লা পৰ্দা<br>4 ছে. ধৰি | উপশিৰোনাম আঁতৰাওক | GO |
| 8 | **Thunder (hotkey T)**<br>হট-কী: T<br>নিষ্ক্ৰিয়: GO টিপিলে এই কিউ বাদ পৰে | Sample bell.wav<br>−3.0 dB | | | GO |

বুঢ়া লুইত 2.0 | স্বৰ্গীয় থানেশ্বৰ গোস্বামী আৰু স্বৰ্গীয় অৰ্পণ বেজবৰুৱাৰ মৰমৰ স্মৃতিত।

© 2026 Dr Mrinal Jyoti Goswami and AANK_A Creative Line

**চিত্ৰ 12.1** কিউ তালিকা

# 13

অধ্যায় 13

# মিডিয়া ফাইল

বুঢ়া লুইতে ৰখা সকলো ফাইল চাবলৈ **মিডিয়া** টিপক।




**চিত্ৰ 13.1** মিডিয়া ফাইল

- **অৱস্থা**: *সাজু* মানে ফাইলটো বুঢ়া লুইতত সাঁচি থাকে। *বন্ধ নকৰালৈকে* মানে ফাইলটো সাঁচিব পৰা নগ'ল, ৱিণ্ড' বন্ধ নকৰালৈকেহে চলিব। *পোৱা নাই* মানে ফাইলটো আকৌ বিচাৰি দিব লাগিব।
- **ফ'ল্ডাৰত হেৰোৱা ফাইল বিচাৰক**: ফাইলবোৰ থকা ফ'ল্ডাৰটো বাছক, বুঢ়া লুইতে নামেৰে বিচাৰি উলিয়াব।
- **কোনো প্ৰদৰ্শনত ব্যৱহাৰ নোহোৱা ফাইল আঁতৰাওক** বুটামে ঠাই মুকলি কৰে।
- উপযুক্ত ফৰ্মেট: ধ্বনিৰ বাবে MP3 বা M4A, ভিডিঅ'ৰ বাবে MP4 (H.264), ছবিৰ বাবে JPG বা PNG।

14

অধ্যায় 14

# ছেটিংছ

## ধ্বনি




**চিত্ৰ 14.1** ধ্বনিৰ ছেটিংছ

- **ধ্বনি আউটপুট**: লেপটপৰ স্পীকাৰ, হেডফোন, বা মিক্সাৰত লগোৱা USB চাউণ্ড কাৰ্ড (Chrome আৰু Edge)। **ডিভাইচৰ নাম দেখুৱাওক** বুটামে কেৱল নাম দেখুৱাবলৈহে মাইক্ৰ'ফোনৰ অনুমতি বিচাৰে। একো ৰেকৰ্ড কৰা নহয়।
- **বাওঁ পৰীক্ষা**, **সোঁ পৰীক্ষা**, **দুয়োটা পৰীক্ষা**ৰে স্পীকাৰ পৰীক্ষা কৰক।
- **মূল টোন**: গোটেই প্ৰদৰ্শনৰ বাবে বেছ, মিড আৰু ট্ৰেবল।
- **স্পীকাৰ সুৰক্ষা**য়ে হঠাৎ জোৰ বাঢ়িলে ধ্বনি বিকৃত হ'বলৈ নিদিয়ে।
- **Esc টিপিলে ফেডৰ সময়**।

## পৰিচালনা




**চিত্ৰ 14.2** পৰিচালনাৰ ছেটিংছ

- **ভাষা**: English বা অসমীয়া।
- **GO বুটাম**: এই সময়ৰ ভিতৰত দ্বিতীয়বাৰ GO টিপিলে নাধৰে, সেয়ে ভুলতে দুবাৰ টিপিলেও কিউ বাদ নপৰে।
- **পৰ্দাৰ পটভূমিৰ ৰং**: পৰ্দাৰ ৱিণ্ড'ৰ পটভূমি।
- **এই কম্পিউটাৰত সঞ্চয়** অংশই বুঢ়া লুইতে কিমান ঠাই লৈছে দেখুৱায়।

15

অধ্যায় 15

# সাঁচি ৰখা, বেকআপ আৰু প্ৰদৰ্শন আন ঠাইলৈ নিয়া

- বুঢ়া লুইতে এই কম্পিউটাৰৰ ব্ৰাউজাৰত আপোনাৰ প্ৰদৰ্শন নিজেই সাঁচি ৰাখে।
- **ফাইল › মিডিয়াসহ গোটেইখিনি সংৰক্ষণ কৰক** বিকল্পই সকলো থকা এটা .luit ফাইল বনায়। প্ৰদৰ্শনৰ বেকআপ ৰাখিবলৈ বা আন কম্পিউটাৰ বা ব্ৰাউজাৰলৈ নিবলৈ ইয়াক ব্যৱহাৰ কৰক।
- আন কম্পিউটাৰত **ফাইল › প্ৰদৰ্শন ফাইল খোলক** বাছি .luit ফাইলটো দিয়ক।
- **ফাইল › প্ৰদৰ্শন ফাইল সাঁচক** বিকল্পই কেৱল কিউ আৰু ছেটিংছ সাঁচে, মিডিয়া নোহোৱাকৈ। মিডিয়া ফ'ল্ডাৰৰ কাষতে ৰাখক।

> **পৰামৰ্শ।** প্ৰতিটো পৰিৱেশনৰ আগদিনা প্ৰদৰ্শনটো সংৰক্ষণ কৰি .luit ফাইলটো পেন ড্ৰাইভতো ৰাখক।

16

অধ্যায় 16

# কীব'ৰ্ডৰ কী

| | |
|---|---|
| Space, PageDown, → | GO |
| PageUp, ← | এটা কিউ পিছলৈ |
| ↑ ↓ | নচলোৱাকৈ ষ্টেণ্ডবাই সলনি কৰক |
| B বা . | উপশিৰোনাম লুকুৱাওক বা দেখুৱাওক |
| Shift + B | সকলো পৰ্দা লাহে লাহে ক'লা কৰক |
| Esc | সকলো ধ্বনি ফেড আউট (দুবাৰ: লগে লগে বন্ধ) |
| P | সকলো ৰখাওক বা আকৌ চলাওক |
| Ctrl/Cmd + Z | পিছুৱাওক (Shiftসহ: পুনৰ কৰক) |
| Ctrl/Cmd + D | বছা কিউৰ প্ৰতিলিপি (সম্পাদনা অৱস্থাত) |
| Delete | বছা কিউ বা শিৰোনাম মচক (সম্পাদনা অৱস্থাত) |
| F | সম্পূৰ্ণ পৰ্দা (পৰ্দাৰ ৱিণ্ড'ত) |
| ? | সহায় খোলক |
| A–Z, 0–9 | কিউত দিয়া হট-কী |

17

অধ্যায় 17

# সহায় আৰু বুঢ়া লুইতৰ বিষয়ে

ওপৰৰ বাৰৰ **সহায়** বা **?** কী টিপিলে **বুঢ়া লুইত কেনেকৈ ব্যৱহাৰ কৰিব** নামৰ কীবোৰসহ এখন চুটি নিৰ্দেশিকা খোলে। নিৰ্দেশিকাখনৰ শেষত:




**চিত্ৰ 17.1** সহায়

- **এই ব্ৰাউজাৰত কি কি চলে**: আপুনি ব্যৱহাৰ কৰা ব্ৰাউজাৰে কি কি কৰিব পাৰে, এই তালিকাখনে দেখুৱায়: ধ্বনি, ভিডিঅ', ছবি আৰু উপশিৰোনাম; এপৰ ভিতৰত মিডিয়া ফাইল ৰখা; প্ৰজেক্টৰত পৰ্দাৰ ৱিণ্ড' স্থাপন; ধ্বনি আউটপুট বাছনি। Chrome আৰু Edge-ত আটাইতকৈ বেছি সুবিধা পোৱা যায়।
- **মতামত পঠিয়াওক** (তলৰ বাওঁফালে): মতামতৰ ফৰ্মখন খোলে।
- **বুঢ়া লুইতৰ বিষয়ে** (তলৰ সোঁফালে): **পৰিচয়** খোলে।

## মতামত পঠিওৱা

কিবা সমস্যা বা বিষয়বস্তুৰ ভুল জনাবলৈ, প্ৰশ্ন সুধিবলৈ বা নতুন ধাৰণা দিবলৈ **সহায় › মতামত পঠিয়াওক**, বা **পৰিচয়**ৰ **মতামত** বাছক।

- **প্ৰকাৰ** বাছি **বাৰ্তা** লিখক আৰু **ই-মেইলেৰে পঠিয়াওক** টিপক। তেতিয়া আপোনাৰ মেইল এপ খোল খাব আৰু তাত mrinal.goswami2026@gmail.com ঠিকনালৈ বাৰ্তাটো সাজু হৈ থাকিব; তাৰ আগতে একো পঠিওৱা নহয়। কোনো মেইল এপ নুখুলিলে **লিখনি কপি কৰক** টিপি সেই ঠিকনালৈ নিজে পঠিয়াওক।
- **আপোনাৰ নাম (ইচ্ছাধীন)** আৰু **ই-মেইল বা WhatsApp নম্বৰ (ইচ্ছাধীন)**: উত্তৰ বিচাৰিলেহে দিয়ক।
- **আপোনা-আপুনি সংযোজিত তথ্য**ত সংস্কৰণ, ভাষা, অৱস্থা (সম্পাদনা বা চলোৱা), কিউ, দৃশ্য আৰু পৰ্দাৰ সংখ্যা, আৰু আপোনাৰ ডিভাইচ আৰু ব্ৰাউজাৰৰ বিৱৰণ থাকে। আপোনাৰ প্ৰদৰ্শন বা মিডিয়া ফাইল কেতিয়াও সংলগ্ন কৰা নহয়।

> **পৰামৰ্শ।** বিষয়বস্তুৰ ভুল হ'লে ক'ত আছে আৰু শুদ্ধ ৰূপটো কি হ'ব লিখি দিয়ক।

## পৰিচয়




**চিত্ৰ 17.2** পৰিচয়

ওপৰৰ বাওঁফালৰ বুঢ়া লুইতৰ লʼগʼ, তলৰ সোঁফালৰ **BURHA LUIT 2.0**, সহায়ৰ **বুঢ়া লুইতৰ বিষয়ে**, বা **শেষ ফাইল-প্ৰতিলিপি** চিহ্নটো টিপিলে **পৰিচয়** খোলে।

ইয়াত উৎসৰ্গ, বুঢ়া লুইতে কি কৰে, AANK এপবোৰৰ মাজত ইয়াৰ স্থান, পিছলৈ অহা প্ৰʼ সংস্কৰণৰ কথা (এই সংস্কৰণটো বিনামূলীয়া, আৰু বিনামূলীয়াই থাকিব), সংৰক্ষণ আৰু বেকআপ, স্বীকৃতি আৰু অনুজ্ঞা থাকে।

**স্বাগতম পৃষ্ঠা চাওক** টিপিলে স্বাগতম পৃষ্ঠাখন আকৌ ওলায়, আৰু **মতামত** টিপিলে মতামতৰ ফৰ্মখন খোলে।

## সংৰক্ষণ আৰু বেকআপ

- আপুনি কাম কৰি থাকোঁতে বুঢ়া লুইতে প্ৰদৰ্শনটো নিজে নিজে সাঁচি ৰাখে। এই ব্ৰাউজাৰত স্বয়ংক্ৰিয় সংৰক্ষণ চলি আছে নে নাই, আৰু ব্ৰাউজাৰে এপৰ তথ্য স্থায়ীভাৱে ৰাখিব নে নাই, **পৰিচয়ৰ সংৰক্ষণ আৰু বেকআপ** অংশত লিখা থাকে। একো আপলʼড কৰা নহয়, একাউণ্টৰো প্ৰয়োজন নাই।
- শেষবাৰ কেতিয়া প্ৰদৰ্শনটো **ফাইল › প্ৰদৰ্শন ফাইল সাঁচক** বা **ফাইল › মিডিয়াসহ গোটেইখিনি সংৰক্ষণ কৰক** বাছি ফাইলত ৰাখিছিল, তলৰ সোঁফালৰ **শেষ ফাইল-প্ৰতিলিপি** চিহ্নটোৱে দেখুৱায়। এতিয়ালৈ কোনো ফাইল-প্ৰতিলিপি নাথাকিলে বা শেষটো সাত দিন বা তাতকৈ পুৰণি হʼলে চিহ্নটো কমলা ৰঙৰ হয়; স্বয়ংক্ৰিয় সংৰক্ষণ বন্ধ হʼলে ৰঙা হয়। সাত দিন পাৰ হʼলে বুঢ়া লুইত খোলোঁতে এটা সোঁৱৰণীও ওলায়।
- **স্বয়ংক্ৰিয় বেকআপ (শেষৰ ৫টা)**ত প্ৰদৰ্শনটোৰ শেষৰ পাঁচটা সংস্কৰণ থাকে। প্ৰতিটোতে কিউ, উপশিৰোনাম, ছেটিংছ আৰু প্ৰযোজনা পত্ৰ থাকে, কিন্তু মিডিয়া ফাইল নাথাকে। **পুনৰুদ্ধাৰ** টিপিলে সেই সংস্কৰণটো ঘূৰি আহে; তাৰ আগতে খোলা প্ৰদৰ্শনটো নতুন বেকআপ হিচাপে ৰখা হয়।

## আন AANK এপৰ সৈতে কাম

বুঢ়া লুইত একেলগে কাম কৰা সাতটা AANK এপৰ এটা: সুধাকণ্ঠ (মূল এপ), শিল্প কুটিৰ, সোণপখিলী, বুঢ়া লুইত, আৰোহণ, শ্ৰীনিবাৰণ আৰু কুমচুং। **ফাইল › আন AANK এপলৈ পঠিয়াওক…** বাছিলে কিউ তালিকা, কিউ আৰু উপশিৰোনাম আপুনি বছা এপটোলৈ যায়, বা .aank ফাইল হিচাপে সংৰক্ষিত হয়; মিডিয়া ফাইল এই কম্পিউটাৰতে থাকে। **ফাইল › আন AANK এপৰ কাম খোলক…** বাছিলে চৰিত্ৰ আৰু নেপথ্যৰ দল প্ৰযোজনা পত্ৰত বহে, দৃশ্যবোৰ দৃশ্যৰ শিৰোনাম হয় আৰু প্ৰতিটো দৃশ্যৰ সংলাপ উপশিৰোনাম কিউ হয়।

# এই সংস্কৰণত নতুন কি আছে

বুঢ়া লুইত ২.০·২৫ অক্টোবৰ ২০২৬ত গুৱাহাটীত BBITF ২০২৬ৰ উদ্বোধনী অনুষ্ঠানত মুকলি

## বুঢ়া লুইতত

- **ৱেব এপ:** বুঢ়া লুইত এতিয়া ৱেব এপ হিচাপেও খোলে (`https://aank.org/apps/burha-luit/`), আৰু লেপটপ বা কম্পিউটাৰত ইনষ্টল কৰিব পাৰি। প্ৰজেক্টৰত পৰ্দাৰ ৰিগু', ধ্বনি আউটপুট বছা আৰু এপৰ ভিতৰত মিডিয়া ফাইল ৰখা, এই সকলোবোৰ অফলাইন ফাইলৰ দৰেই তাতো চলে। কোনো Start ফাইলৰ প্ৰয়োজন নাই।
- **ইনষ্টল:** আৰম্ভণি পৃষ্ঠাৰ **এই ডিভাইচত ইনষ্টল কৰক** বা **ফাইল › এই ডিভাইচত বুঢ়া লুইত ইনষ্টল কৰক** বাছক। ফ'ন বা টেবলেটত প্ৰদৰ্শন খুলি চাব, কিউ তালিকা আৰু প্ৰযোজনা পত্ৰ পঢ়িব আৰু নমুনা প্ৰদৰ্শন চলাই চাব পাৰি; পৰিৱেশন কিন্তু কম্পিউটাৰৰ পৰাহে চলাওক।
- **মতামত: সহায় › মতামত পঠিয়াওক**, বা **পৰিচয়ৰ মতামত**। ফৰ্মখনত অৱস্থা (সম্পাদনা বা চলোৱা) আৰু কিউ, দৃশ্য আৰু পৰ্দাৰ সংখ্যা আপোনা-আপুনি যোগ হয়। আপোনাৰ প্ৰদৰ্শন বা মিডিয়া কেতিয়াও সংলগ্ন কৰা নহয়।
- **বেকআপ: পৰিচয়**ত থকা পাঁচটা স্বয়ংক্ৰিয় বেকআপত প্ৰদৰ্শনটো থাকে: কিউ, উপশিৰোনাম, ছেটিংছ আৰু প্ৰযোজনা পত্ৰ। মিডিয়া ফাইল তাত নাথাকে; সেইবোৰ **ফাইল › মিডিয়াসহ গোটেইখিনি সংৰক্ষণ কৰক** বাছি সুৰক্ষিত কৰি ৰাখক।
- **এপৰ মাজত কামৰ আদান-প্ৰদান: ফাইল › আন AANK এপলৈ পঠিয়াওক...** বাছিলে কিউ তালিকা, কিউ আৰু উপশিৰোনাম যায়; মিডিয়া ফাইল আপোনাৰ কম্পিউটাৰতে থাকে। **ফাইল › আন AANK এপৰ কাম খোলক...** বাছিলে চৰিত্ৰ আৰু নেপথ্যৰ দল প্ৰযোজনা পত্ৰত বহে, দৃশ্যবোৰ দৃশ্যৰ শিৰোনাম হয় আৰু প্ৰতিটো দৃশ্যৰ সংলাপ বক্তাৰ নামেৰে উপশিৰোনাম কিউ হয়। **ফাইল › প্ৰদৰ্শন ফাইল খোলক** বাছিও `.aank` ফাইল খুলিব পাৰি।
- পুৰণি আৰম্ভণিৰ পৰ্দাৰ সলনি এতিয়া স্বাগতম পৃষ্ঠা ওলায়। ইয়াৰ ওপৰৰ সোঁফালে **English** বা **অসমীয়া** বাছক; **নমুনা প্ৰযোজনা খোলক** টিপিলে নমুনা প্ৰদৰ্শনটো খোলে।
- **সহায়**ত এতিয়া আপুনি ব্যৱহাৰ কৰা ব্ৰাউজাৰত কি কি চলে তাৰ তালিকা থাকে (প্ৰজেক্টৰত পৰ্দা, ধ্বনি আউটপুট, এপত মিডিয়া ৰখা)। ল'গ' বা তলৰ সোঁফালৰ সংস্কৰণ নম্বৰটো টিপিলে **পৰিচয়** খোলে।
- অসমীয়া আখৰৰ ফণ্ট এপৰ ভিতৰতে আছে, সেয়ে প্ৰতিটো কম্পিউটাৰত এপ, উপশিৰোনামৰ পূৰ্বদৰ্শন আৰু ছপা একেই দেখা যায়। অসমীয়া এপত সংখ্যাবোৰ অসমীয়া অংকত দেখুওৱা হয়।

## প্ৰতিটো AANK এপত

- নতুন ৱেব ঠিকনা: `https://aank.org/apps/burha-luit/`। ফ'ন, টেবলেট বা কম্পিউটাৰত ইনষ্টল কৰিব পাৰি; তাৰ পাছত ইণ্টাৰনেট নোহোৱাকৈও চলে আৰু নিজে নিজে আপডেট হয়।
- উৎসৰ্গ, কৃতজ্ঞতা, অনুজ্ঞা আৰু স্বয়ংক্ৰিয় বেকআপসহ স্বাগতম পৃষ্ঠা আৰু **পৰিচয়**।
- **পঠিয়াওক...** আৰু **আন এপৰ পৰা...**: আন AANK এপলৈ কাম পঠিয়াব আৰু তাৰ পৰা আনিব পাৰি। মূল এপ সুধাকণ্ঠই সকলো এটা প্ৰযোজনাত একত্ৰিত কৰে।
- সমস্যা, বিষয়বস্তুৰ ভুল, প্ৰশ্ন বা নতুন ধাৰণা জনাবলৈ মতামতৰ ফৰ্ম (সহায় মেনু আৰু **পৰিচয়**)।
- সুৰক্ষিত সংৰক্ষণ: তথ্য স্থায়ীভাৱে ৰাখিবলৈ ব্ৰাউজাৰক অনুৰোধ কৰা হয়, শেষৰ পাঁচটা সংস্কৰণ বেকআপ হিচাপে থাকে, আৰু **শেষ ফাইল-প্ৰতিলিপি** চিহ্নটোৱে ফাইল সংৰক্ষণৰ কথা সোঁৰৱাই দিয়ে।

- ফ’ন: কোনো ভিউৱাৰে এপটো চলিবলৈ নিদিলে স্পষ্ট বাৰ্তা, আৰু iPhone-iPad-ত Add to Home Screen-ৰ সহায়।

> এই নিৰ্দেশিকাত পুৰণি ৰেব ঠিকনা থাকিলে এইবোৰ ব্যৱহাৰ কৰক: এপ `https://aank.org/apps/burha-luit/` আৰু তাৰ পৃষ্ঠা `https://aank.org/digital-tools/burha-luit/`।